# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 15-07-2024
**Time :** 0705 hrs

## *Assamese Morning Bulletin*
# HEADLINES

১। সামাজিক মাধ্যম এক্সত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুগামীৰ সংখ্যাই ১০ কোটি অতিক্ৰম কৰিছে।

২। এন টি এ অৰ্থাৎ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ভুক্তভোগী পৰীক্ষাৰ্থীৰ বাবে Cuet-UGৰ পুনৰ পৰীক্ষা অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে।

৩। আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি ডনাল্ড ট্ৰাম্পৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনা সন্দৰ্ভত স্বতন্ত্ৰ তদন্তৰ ঘোষণা কৰিছে।

৪। ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত স্পেইনে, ইংলেণ্ডক পৰাস্ত কৰি ইউৰোপীয় ফুটবল চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে।

*আৰু*

৫। ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰতে কালি জিম্বাব'ৱেক ৪২ ৰানত পৰাস্ত কৰে।

ooooo

সামাজিক মাধ্যম এক্সত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অনুগামীৰ সংখ্যাই ১০ কোটি অতিক্ৰম কৰিছে। যোৱা তিনিটা বছৰত প্ৰধানমন্ত্ৰীৰ অনুগামীৰ সংখ্যা প্ৰায় ৩ কোটি বৃদ্ধি পাইছে। ইয়াৰ ফলত শ্ৰীমোদী এক্সত বিশ্বৰ সৰ্বাধিক অনুসৰণ কৰা নেতা হিচাপে পৰিগণিত হৈছে। অনুগামীৰ সংখ্যাৰ দিশৰ পৰা প্ৰধানমন্ত্ৰী মোদী ৩ কোটি ৪১ লাখ অনুগামী থকা আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনকে ধৰি বিশ্বৰ আন নেতাসকলতকৈ বহু আগত আছে। অনুগামীৰ সংখ্যা ১০ কোটি পাৰ হোৱাৰ পাছত শ্ৰীমোদীয়ে সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত এই মাধ্যমত থাকি নিজেই সুখী বুলি প্ৰকাশ কৰাৰ লগতে ইয়াৰ আলোচনা, বিতৰ্ক, জনসাধাৰণৰ আশীৰ্বাদ তথা গঠনমূলক সমালোচনাকে ধৰি বিভিন্ন দিশবোৰক তেওঁ উপভোগ কৰিছে বুলিও প্ৰকাশ কৰে। প্ৰধানমন্ত্ৰীগৰাকীয়ে ভৱিষ্যতেও এই মাধ্যমত সময় অতিবাহিত কৰিব বুলি প্ৰকাশ কৰে। গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰধানমন্ত্ৰীক অভিনন্দন জনাই সামাজিক মাধ্যম যোগে দিয়া এটা পোষ্টত কয় যে, শ্ৰীমোদী সৰ্বাধিক অনুসৰণ কৰা বিশ্বনেতা হিচাপেও স্বীকৃতি পাইছে।

ooooo

এন টি এ অৰ্থাৎ ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই ভুক্তভোগী পৰীক্ষাৰ্থীৰ বাবে স্নাতক পৰ্যায়ত নামভৰ্তিৰ উমৈহতীয়া প্ৰৱেশ পৰীক্ষা Cuet-UGৰ পুনৰ পৰীক্ষা অনুষ্ঠিত কৰিব বুলি ঘোষণা কৰিছে। এই পৰীক্ষা অহা ১৯ জুলাইত অনুষ্ঠিত হ'ব। সকলো ভুক্তভোগী পৰীক্ষাৰ্থীলৈ ই-মেইল যোগে এই খবৰ প্ৰেৰণ কৰা হৈছে। পৰীক্ষাৰ্থীসকলক প্ৰৱেশ-পত্ৰ শীঘ্ৰেই প্ৰদান কৰা হ'ব।

০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি জ' বাইডেনে প্ৰাক্তন ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পৰ ওপৰত হোৱা আক্ৰমণৰ ঘটনাৰ সন্দৰ্ভত স্বতন্ত্ৰ তদন্তৰ কথা ঘোষণা কৰিছে। এই তদন্তৰ জৰিয়তে নিৰাপত্তা ব্যৱস্থাত ৰৈ যোৱা ত্ৰুটি সমূহ বিচাৰ কৰা হ'ব। হোৱাইট হাউছৰ পৰা ভাষণ দি ৰাষ্ট্ৰপতি বাইডেনে কয় যে ড'নাল্ড ট্ৰাম্পৰ সমাৱেশত ৰাষ্ট্ৰীয় নিৰাপত্তাৰ প্ৰট'কলৰ স্বতন্ত্ৰ পৰ্যালোচনাৰ নিৰ্দেশ দিয়া হৈছে যাতে এই পৰিঘটনাসমূহ ভালদৰে পৰীক্ষা কৰিব পৰা যায়। তেওঁ কয় যে, এই স্বতন্ত্ৰ পৰ্যালোচনাৰ তথ্যসমূহ আমেৰিকাৰ জনসাধাৰণৰ বাবে স্বচ্ছ ৰূপত আগবঢ়াই দিয়া হ'ব।

এই ঘটনাৰ পিছত আমেৰিকাই হিংসাক প্ৰত্যাখ্যান কৰা বুলি ভাষণ প্ৰসংগত উল্লেখ কৰি ৰাষ্ট্ৰপতি বাইডেনে কয় যে আক্ৰমণকাৰীৰ উদ্দেশ্যক লৈ আমেৰিকাৰ জনতাই এতিয়া আলোচনা কৰি থকাটো উচিত নহয়। তেওঁ আমেৰিকাৰ তদন্তকাৰী সংস্থা ফেডাৰেল ব্যুৰো অৱ ইনভেষ্টিগেশ্যনক কোনো বাধা নোহোৱাকৈ তদন্ত চলাবলৈ অনুমতি দিয়াৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।

০০০০০

কেন্দ্ৰীয় যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী মনসুখ মান্দাভিয়াই কালি শ্ৰীনগৰ প'ল' গ্ৰাউণ্ড ক্ৰীড়াক্ষেত্ৰ পৰিদৰ্শন কৰে। ইয়াৰ পাছতেই শ্ৰীমান্দাভিয়াই চিনথেটিক টাৰ্ফ পৰিদৰ্শন কৰি ১৭ বছৰ অনুৰ্ধৰ ভাৰতৰ ৰাষ্ট্ৰীয় দলৰ খেলুৱৈসকলৰ লগতে জম্মু-কাশ্মীৰ ক্ৰীড়া পৰিষদ, ফুটবল, স্কুল আৰু একাডেমীৰ প্ৰশিক্ষাৰ্থীসকল, ডাউন টাউন হিৰো'ছ ফুটবল ক্লাবৰ ল'ৰা আৰু ছোৱালীৰ দল কেইটা তথা বিভিন্ন বিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ সৈতে মত বিনিময় কৰে। এই উপলক্ষে দিয়া ভাষণত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ফুটবল জনপ্ৰিয় কৰাৰ উদ্দেশ্যে সৰ্ব ভাৰতীয় ফুটবল মহাসংঘৰ জম্মু-কাশ্মীৰ ক্ৰীড়া পৰিষদৰ ডি ব্লু কাবছৰ পদক্ষেপক প্ৰশংসা কৰে। মন্ত্ৰীগৰাকীয়ে লগতে বাটগামৰ খেলো ইণ্ডিয়া কেন্দ্ৰ চাইক্লিঙৰ সদস্যসকলে অংশগ্ৰহণ কৰা এটা চাইকেল শোভাযাত্ৰাৰো পতাকা জোকাৰি শুভাৰম্ভ কৰে। ইয়াৰ পাছতেই মন্ত্ৰীগৰাকীয়ে আন্তঃক্ৰীড়া প্ৰকল্প পৰিদৰ্শন কৰে। শ্ৰীমান্দাভিয়াই মাই য়ুথ মাই প্ৰাইড শীৰ্ষক গ্ৰীষ্মকালীন ক্ৰীড়াকলাপৰো শুভাৰম্ভ কৰাৰ লগতে বিভিন্ন খেলো ইণ্ডিয়া কেন্দ্ৰত ক্ৰীড়া সামগ্ৰী বিতৰণ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ হৈ শুভকামনা জ্ঞাপন কৰি শ্ৰীমান্দাভিয়াই বিভিন্ন খেলত শিক্ষাৰ্থীসকলৰ অংশগ্ৰহণৰ লগতে জম্মু-কাশ্মীৰ প্ৰশাসন, ক্ৰীড়া বিভাগ আৰু জম্মু-কাশ্মীৰ ক্ৰীড়া পৰিষদক ভূয়সী প্ৰশংসা কৰে।

০০০০০

পৱিত্ৰ অমৰনাথ গুহাৰ বাবে জম্মুৰ ভগৱতী নগৰ যাত্ৰীনিৱাস শিৱিৰৰ পৰা ৪ হাজাৰ ৮৭৫ গৰাকী তীৰ্থযাত্ৰীৰ আন এটি দলে কাশ্মীৰ উপত্যকা অভিমুখে যাত্ৰা কৰিছে। আজি নিচেই পুৱা ১৬২ খন বাহনেৰে এই তীৰ্থযাত্ৰীৰ দলটো ৰাওনা হৈছে। এই দলটোত ৩ হাজাৰ ৪৬৪ গৰাকী পুৰুষ, এহেজাৰ ৩৩৩ গৰাকী মহিলা, ১৪টি শিশু, ৬৪ গৰাকী সাধু-সন্ত আছে। ইয়াৰে এহেজাৰ ৯১৮ গৰাকী তীৰ্থযাত্ৰীয়ে বালটল শিৱিৰৰ পৰা পুৱা ৩ বাজি ৫ মিনিটত যাত্ৰা কৰাৰ বিপৰীতে ২ হাজাৰ ৯৫৭ গৰাকীয়ে পেহেলগাম শিৱিৰৰ পৰা পুৱা ৩ বাজি ৫০ মিনিটত যাত্ৰা কৰে।

ooooo

ভাৰতীয় মূলধনী বজাৰত জুলাই মাহৰ প্ৰথমভাগতে বিদেশী বিনিয়োগকাৰীয়ে প্ৰায় ২৪ হাজাৰ কোটি টকা বিনিয়োগ কৰিছে। তথ্য অনুসৰি এই সময়ছোৱাত বিদেশী বিনিয়োগকাৰীয়ে ইকুইটিত বজাৰত ১৫,৩৫২ কোটি টকা আৰু ঋণৰ বজাৰত ৮,৪৮৪ কোটি টকা বিনিয়োগ কৰিছে। জুন মাহত এই বিনিয়োগৰ পৰিমান আছিল 26,565 কোটি টকা।

ooooo

আকাশবানীৰ দ্বিভাষিক ফোন-ইন অনুষ্ঠান পাব্লিক স্পীকত আজি নিশা ০৯.৩০ বজাত উচ্চৰক্তচাপ আৰু ইয়াৰ সমাধানৰ সন্দৰ্ভত এক মননশীল আলোচনা আগবঢ়োৱা হ'ব। এই আলোচনাত এইমছৰ হৃদৰোগ বিভাগৰ অধ্যাপক ড° ৰাকেশ যাদৱ আৰু খাদ্য বিশেষজ্ঞ ডাঃ ৰিচা জয়ছৱালে অংশগ্ৰহণ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে উচ্চৰক্তচাপৰ বিভিন্ন দিশ যেনে ইয়াৰ লক্ষণ, প্ৰতিৰোধ আৰু সুস্থ জীৱনশৈলীৰ সৈতে জড়িত প্ৰশ্ন সুধিব পাৰিব। শ্ৰোতাসকলে অনুষ্ঠান প্ৰচাৰ হৈ থকাৰ সময়ত ০১১ - ২৩৪২১০৫০ আৰু ০১১-২৩৩১৪৪৪৪ নম্বৰত ফোনকৰি তেওঁলোকৰ প্ৰশ্ন সুধিব পাৰিব। তদুপৰি প্ৰশ্নসমূহ ৯২৮৯০৯৪০৪৪ নম্বৰত হোৱাটছএপ অথবা সামাজিক মাধ্যম এক্সৰ যোগেও প্ৰেৰণ কৰিব পাৰিব।

ooooo

বাৰ্লিনত অনুষ্ঠিত ইউৰো কাপ ফুটবল প্ৰতিযোগিতাৰ ফাইনেলত স্পেইনে, ইংলেণ্ডক ২-১ গলৰ ব্যৱধানত পৰাস্ত কৰি চতুৰ্থ ইউৰোপীয় ফুটবল চেম্পিয়নশ্বিপৰ খিতাপ অৰ্জন কৰিছে। নিকো উইলিয়ামে স্পেইনৰ হৈ প্ৰথমটো গল দিয়ে। ইপিনে, ইংলেণ্ডৰ ক'ল পামৰে খেলৰ ৭৩ মিনিটত এটা গল দিয়ে। ইয়াৰ পাছতেই স্পেইনৰ মিকেল অয়াৰজাবলে খেলৰ ৮৬ মিনিটত দলৰ হৈ বিজয়সূচক গলটো দিয়ে। উল্লেখযোগ্য যে, ২০২০ চনৰ ইউৰো কাপৰ ফাইনেলত ইটালীৰ হাতত পৰাজিত হোৱা ইংলেণ্ড দ্বিতীয়বাৰৰ বাবে ফাইনেলত পৰাজয়ৰ সন্মুখীন হয়।

ooooo

জিম্বাব'ৱেৰ হাৰাৰে ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু জিম্বাব'ৱেৰ মাজৰ পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰতে কালি জিম্বাব'ৱেক ৪২ ৰানত পৰাস্ত কৰে। খেলখনত টছত জয়লাভ কৰি জিম্বাব'ৱেই প্ৰথমে ভাৰতক বেটিঙৰ বাবে আমন্ত্ৰণ জনাইছিল। ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৬৭ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সঞ্জু ছেমছনে ৪৫টা বলত সৰ্বাধিক ৫৮ ৰান সংগ্ৰহ কৰে। ৰিয়ান পৰাগে ২৪টা বলত ২২ ৰান আৰু শিৱম ডুবেই ১২টা বলত ২৬ ৰান সংগ্ৰহ কৰে। জিম্বাব'ৱেৰ হৈ মুজাৰবানীয়ে ভাৰতৰ দুটা

উইকেট দখল কৰে। প্ৰত্যুত্তৰত ১৬৮ ৰানৰ বিজয় লক্ষ্য আগত ৰাখি বেট ধৰা জিম্বাব্ৱেই ১৮ অভাৰ ৩টা বলত আটাইকেইটা উইকেট হেৰুৱাই ১২৫ ৰানহে কৰিবলৈ সমৰ্থ হয়। ভাৰতৰ মুকেশ কুমাৰে ২২ ৰানৰ বিনিময় জিম্বাব্ৱেৰ চাৰিটা উইকেট লাভ কৰিবলৈ সক্ষম হয়। আনহাতে শিৱম ডুবেই ২৫ ৰানৰ বিনিময়ত দুটা উইকেট দখল কৰে।

উল্লেখযোগ্য যে, পাঁচখনীয়া শৃংখলাটোত ভাৰতে চাৰিখন খেলত জয়লাভ কৰি শৃংখলা হস্তগত কৰিছে।

০০০০০

উইম্বলডন টেনিছ প্ৰতিযোগিতাত স্পেইনৰ কাৰ্লোছ অল্‌কাৰাজে চাৰ্বিয়াৰ ন'ভাক জ'ক'ভিচক ৬-২, ৬-২, ৭-৬ ছেটত পৰাস্ত কৰি পুৰুষৰ ছিংগলছৰ খিতাপ অৰ্জন কৰিছে।

উইম্বলডনৰ ফাইনেলত অল্‌কাৰাজ দ্বিতীয়বাৰৰ বাবে অৱতীৰ্ণ হোৱাৰ বিপৰীতে জ'ক'ভিচে এই প্ৰতিযোগিতাত ৭ বাৰকৈ বিজয়ীৰ খিতাপ অৰ্জন কৰিছিল।

ইপিনে, মিক্সড ডাবলছৰ ফাইনেলত পোলেণ্ডৰ জন জেলেনস্কি আৰু টাইৱানৰ হাছিছ ছু ৱেইৰ যুটীটোৱে মেক্সিকোৰ ছেণ্টিয়াগো গোঞ্জাল্বেজ আৰু গুলীয়ানা আল্মোছৰ যুটীটোক ৬-৪, ৬-২ ছেটত পৰাস্ত কৰি খিতাপ অৰ্জন কৰে।

০০০০০

**সমাপ্ত**